# যোগাযোগ

অক্টোবৰ-নৱেম্বৰ ঃ ২০২১

১৫৩

**JOGAJOG**

**October+ November : 2021**

**Vol : 14 No:1+2 Sl No: 153**

**Monthly Newsletter of Assam Association, Delhi**



*Editor (Hony):*
**Hiron Dutta**
Ph: +91 9810452442
(This is an ad hoc arrangement till a new editor takes charge)
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811



*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: editorjogajog@gmail.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.org


## সম্পাদকৰ একাষাৰ

সকলোকে জয়জয়তে পোহৰৰ উৎসৱ দীপান্বিতা উপলক্ষে 'যোগাযোগ'ৰ শুভেচ্ছা জনাইছোঁ। দ্বিতীয়তে সকলোৰেপৰা ক্ষমা বিচাৰিছোঁ অক্টোবৰ মাহৰ 'যোগাযোগ'খন এৰাব নোৱৰা কাৰণত সময়মতে উলিয়াব নোৱৰা বাবে। তাতে আকৌ আমাৰ 'যোগাযোগে' যোৱা অক্টোবৰ মাহতেই ১৪ বছৰত ভৰি দিছিল। সেয়ে এইবাৰৰ এই সংখ্যাটো চতুৰ্দশ বছৰৰ প্ৰথম আৰু দ্বিতীয় সংখ্যাৰ যুগ্মৰূপে উলিয়াব লগা হ'ল। গতিকে এমাহ পলমকৈ হ'লেও আমি অসম এছোচিয়েছনৰ প্ৰতিগৰাকী সদস্যকে 'যোগাযোগ'ৰ এই কৃতিত্বৰ বাবে অভিনন্দন জনাইছোঁ।

ৰাইজক অভিনন্দন জনাবলগীয়া আৰু এটা কাৰণ আছে। সেয়া হ'ল অসমীয়াৰ জাতীয় সম্পদস্বৰূপ শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ কিছুমান প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নত কৰাৰ বহুপ্ৰতীক্ষিত কামটো ইতিমধ্যেই পূৰ্ণগতিত আৰম্ভ হোৱাটো। কামখিনি সম্পূৰ্ণ হৈ উঠিলে আগতকৈও সুন্দৰ আৰু সুবিধাজনক শংকৰদেৱ ভৱন এটা আমি লাভ কৰিম। এই সংখ্যা 'যোগাযোগ'তে এই বিষয়ে বিতংকৈ জনোৱা হৈছে।

\- *সম্পাদক*




# শংকৰদেৱ ভৱনৰ আভ্যন্তৰীণ পুনৰনিৰ্মাণ আৰম্ভ

অসম এছোচিয়েছন, দিল্লীৰ প্ৰাণকেন্দ্ৰ ‘শ্ৰীমন্ত শংকৰদেৱ ভৱন’ৰ আন্তঃগাঁথনিৰ কিছুমান বহুপ্ৰতীক্ষিত পুনৰনিৰ্মাণ কাৰ্য অৱশেষত যোৱা ২৫ অক্টোবৰ ২০২১ তাৰিখৰপৰা পূৰ্ণোদ্যমে আৰম্ভ কৰা হৈছে। প্ৰয়োজনীয় পুঁজিৰ অভাৱত এছোচিয়েছনে এই অতি আৱশ্যকীয় কামটোত হাত দিব পৰা নাছিল। ভৱনটো যিহেতু ইতিমধ্যেই প্ৰায় ১৬ বছৰৰ পুৰণি হৈছে সেয়ে ইয়াৰ কিছুমান মেৰামতিৰো প্ৰয়োজন আছিল। তদুপৰি কেইবাটাও ৰুমত এটেচ্চড বাথৰুম নাছিল। ভৱনত থাকিবলৈ অহা অতিথিসকলে সেইকেইটা ৰুম স্বাভাৱিকতে পছন্দ নকৰিছিল। গতিকে এই আভ্যন্তৰীণ আসোঁৱাহবোৰ দূৰ কৰাৰ অতীৱ প্ৰয়োজন হৈছিল। সৌভাগ্যক্ৰমে বিগত ৪ ফেব্ৰুৱাৰী ২০২০ তাৰিখে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া শ্ৰীমন্ত শংকৰদেৱ ভৱনলৈ আহোঁতে এছোচিয়েছনৰ কৰ্মকৰ্তাসকলৰ আগ্ৰহত ভৱনটো ঘূৰিপকি চাই ইয়াৰ আৱশ্যকীয় মেৰামতিৰ বাবে অসম চৰকাৰৰ ফালৰপৰা আৰ্থিক সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে আৰু তাৰ বাবে আবেদন দাখিল কৰিবলৈ এছোচিয়েছনক পৰামৰ্শ দিয়ে।



সেইমতে এছোচিয়েছনে ৫০ লাখ টকাৰ সাহায্য বিচাৰি আবেদন প্ৰেৰণ কৰে।

ইতিমধ্যে অসম বিধান সভাৰ নিৰ্বাচনো আহি পৰাত সাহায্য মঞ্জুৰ হোৱাৰ প্ৰক্ৰিয়াটোত স্বাভাৱিকতে অলপ মন্থৰতা আহি পৰে। কিন্তু নিৰ্বাচনৰ পিছত শ্ৰী হিমন্তবিশ্ব শৰ্মাৰ নেতৃত্বত নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ খুব

কম সময়ৰ ভিতৰতে Untied Fund Scheme-2020-21-ৰ অধীনত অসম চৰকাৰে ৫০ লাখ টকা মঞ্জুৰ কৰি সেই সিদ্ধান্তৰ কথা এছোচিয়েছনক জনায়। Untied Fund Scheme-ৰ অধীনত এছোচিয়েছনে সম্পন্ন কৰিব লগা এখন নিৰ্মাণ কমিটি গঠনকে ধৰি এটা আছুতীয়া বেংক একাওণ্ট খোলালৈকে যাবতীয় আনুষ্ঠানিকতাখিনি সম্পূৰ্ণ কৰোঁতে কিছু সময় লাগিল যদিও অৱশেষত কামখিনি হৈ উঠাৰ অন্তত অসম চৰকাৰে মঞ্জুৰ কৰা মুঠ ৫০ লাখ টকাৰ পৰা সদ্যহতে কাম আৰম্ভ কৰিবৰ বাবে ৩০ লাখ টকা অলপতে মোকলাই দিয়ে আৰু এছোচিয়েছনৰ নিৰ্দিষ্ট বেংক একাওণ্টত জমা কৰে।



পুঁজি হাতলৈ অহাৰ লগে লগে নিৰ্মাণ কমিটিয়ে Untied Fund Scheme-ৰ নিৰ্ধাৰিত নিয়মৰ অধিনত নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছে।

উল্লেখযোগ্য যে বৰ্তমানে কাম চলি থকাত শংকৰদেৱ ভৱনত অতিথি ৰখা ব্যৱস্থাটো কামো সম্পূৰ্ণ নোহোৱা পৰ্যন্ত স্থগিত থাকিব।

# শংকৰদেৱ ভৱনত শংকৰদেৱৰ তিথি



কৰ'না মহামাৰীৰ ভয় অলপ কমি যোৱাত প্ৰায় দুবছৰৰ পিছত অসম এছোচিয়েছন দিল্লীয়ে যোৱা ১২ ছেপ্টেম্বৰ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ ভৱনত গুৰুজনাৰ তিথি সীমিত লোকৰ উপস্থিতিত অতি সুন্দৰকৈ অনুষ্ঠিত কৰে। সত্ৰীয়া গুৰু ডঃ ভৱানন্দ বৰবায়নদেৱৰ লগতে বিভিন্নজনে বিভিন্ন ধৰণে এই আয়োজনত বিশেষভাৱে ভূমিকা লৈ তিথিৰ আযোজন শৃখলাবদ্ধ কৰি তোলে।

নাম প্ৰসংগকে ধৰি বিভিন্ন ধৰণৰ ধৰ্মীয় কামকাজখিনি কৰি সহায় কৰি দিছিল শ্ৰী অমৰেন্দ্ৰ পাঠক, ছমিন ডেকা, ৰমেশ দাস, অজিত ৰাজবংশী, ডা. বিপুল বৰুৱাৰ লগতে বৰবায়নদেৱে। এখেতসকলৰ সহযোগত সমগ্ৰ অডিটৰিয়াম হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। খোল, বৰতাল, নাগাৰা, খুতিতাল তথা ভক্তসকলৰ হাত- চাপৰিৰে সমগ্ৰ পৰিৱেশ বৈষ্ণৱময় হৈ উঠে। কৰ'না মহামাৰীৰ পাছত





সকলোৱে এনে এক আধ্যাত্মিক অনুষ্ঠানত ভাগ ল'বলৈ পাই উৎফুল্ল হৈ পৰে আৰু ভক্তিৰসত বুৰ যায়। আইসকলে ও সুন্দৰকৈ হৰিনামত ভাগ ল'লে। তেখেতসকল ভিতৰত





ৰীম পাঠক, ৰুমী শৰ্মা, দীপালী বৰা, নিকু দত্ত, অঞ্জলী বৰুৱা, ইনু নাথ, প্ৰাৰ্থনা বৰুৱা, ডা. অজন্তা বৰুৱা, ডা. ৰীতা বৰুৱা, নিভা বৰা অন্যতম।


শৰাইৰ মাহ-প্ৰসাদভাগি আগবঢ়ালে অতনু বৰুৱা আৰু প্ৰাৰ্থনা বৰুৱাই। আনহাতে এছোচিয়েছনৰ তৰফৰপৰা দুপৰিয়াৰ আহাৰৰ লগতে পায়সৰো আয়োজন কৰা হয়। অনুষ্ঠানত চাহ-মিঠাইৰ যোগান ধৰে এছোচিয়েছনৰ সভানেত্ৰী অঞ্জলী বৰুৱাই।



সেইদিনাই আমাৰ নাম প্ৰসংগ আৰু তিথিৰ বাতৰি বিভিন্ন টিভি নিউজ চেনেলত প্ৰচাৰ হয়। *বাতৰিঃ ৰীম পাঠক*

# ‘মোৰ ভাষা, মোৰ গৌৰৱ ঃ বৈদ্যুতিন মঞ্চত অসমীয়া ভাষাৰ যাত্ৰাপথ’

## এছোচিয়েছৰ ৱেবিনাৰত সাহিত্য সভাৰ সভাপতি



অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত বিগত ১৯ ছেপ্টেম্বৰ ২০২১ তাৰিখে ‘মোৰ ভাষা, মোৰ গৌৰৱ— বৈদ্যুতিন মঞ্চত অসমীয়া ভাষাৰ যাত্ৰাপথ’ শীৰ্ষক এখন ‘ৱেবিনাৰ’ আয়োজন কৰা হয়। দেশ-বিদেশৰ বিভিন্ন ঠাইৰ প্ৰায় ১৫০ জন অসমীয়া ভাষাপ্ৰেমীয়ে যোগদান কৰা এই আলোচনা চক্ৰত মূল বক্তা আছিল অসম সাহিত্য সভাৰ সভাপতি শ্ৰী কুলধৰ শইকীয়াদেৱ। নিজৰ ভাষণত তেখেতে বৈদ্যুতিন মঞ্চত অসমীয়া ভাষাৰ লগত সংলগ্ন বিভিন্ন বিষয়বোৰৰ উল্লেখ কৰে আৰু নিজৰ মাতৃ-ভাষাটোৰ উন্নয়নৰ কামত যোগদান কৰিবলৈ অসমীয়া জাতিটোৰ প্ৰতি আহ্বান জনায়। তেখেতে কয় যে আমাৰ ভাষাটোক বিলুপ্ত হোৱাৰ পৰা বচাবলৈ হ’লে আমি ইয়াক লৈ গৌৰৱ কৰিব পাৰিব লাগিব। যি জাতিৰ নিজৰ ভাষাৰ প্ৰতি সন্মানবোধ নাই সেই ভাষা যিমানেই ফলে-ফুলে জাতিষ্কাৰ নহওক অদূৰ ভৱিষ্যতে তাৰ বিলুপ্তি ঘটেই।

শ্ৰী শইকীয়াদেৱে কয় যে সাহিত্য সভাৰ ফালৰপৰা অসমীয়া ভাষাৰ সাধুকথাবোৰ জনপ্ৰিয় কৰি তোলাৰ চেষ্টা কৰি থকা হৈছে। ইয়াৰ ফলত নতুন প্ৰজন্মৰ মাজত অসমীয়া সাধুকথাৰ প্ৰতি জনপ্ৰিয়তা বৃদ্ধিৰ জৰিয়তেভাষাটোৰ জনপ্ৰিয়তা আপোনা-আপুনি বাঢ়িব। দেখা



গৈছে যে অসমীয়া ভাষাটো শিকিবলৈ অকণ-অকণিৰ উৎসাহ দিনক-দিনে বাঢ়িছে। বিভিন্ন ঠাইত সাধুকথাবোৰৰ প্ৰচলন হৈ আছে। এইটো এটা যোগাত্মক প্ৰৱণতা।

অসম সাহিত্য সভাৰ সভাপতিগৰাকীয়ে বৈদ্যুতিন মঞ্চবোৰত অসমীয়া ভাষাৰ প্ৰচলনত উদগনি যোগোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে এই দিশত বহুতো কাম-কাজ চলি আছে। অসম সাহিত্য সভায়ো ইণ্টাৰনেটৰ বিভিন্ন মঞ্চবোৰত নিজকে অধিক মাত্ৰাত জড়িত কৰিবলৈ মন মেলিছে। এই ক্ষেত্ৰত গাইগুটিয়া আৰু সমূহীয়া পৰ্যায়ত অসমীয়াসকল অধিক তৎপৰ হৈ উঠাত উৎসাহিত কৰাৰ ওপৰত তেখেতে গুৰুত্ব আৰোপ কৰে।

এই 'ৱেবিনাৰ'ত ডঃ লোহিত দত্ত বৰুৱা, শ্ৰীমতী শকুন্তলা চৌধুৰী, ন্যয়াধীশ ডঃ মুকুণ্ডকাম শৰ্মা, শ্ৰী মনজিৎ নাথ, শ্ৰী সত্যজিৎ নাথ, শ্ৰী দীপকানন্দ ভৰালী, তছদ্দুক হুছেইন, শ্ৰী অংশুমান বৰুৱা, শ্ৰী অশোক শৰ্মা, শ্ৰী মদন প্ৰসাদ বেজবৰুৱা, ডাঃ বিপুল কুমাৰ বৰুৱা, শ্ৰী দিব্যজিৎ দত্ত, শ্ৰীমতী মৃণালিনী খত্ৰিকে ধৰি উপস্থিত অন্য কেইবাজনেও নিজৰ বক্তব্য দাঙি ধৰে। প্ৰঃ বিনোদ খাদৰিয়াই শলাগৰ শৰাই আগবঢ়ায়।

## "অসমীয়া ভাষাৰ ইন্টাৰনেট প্ৰস্তুতিঃ কাৰিকৰী ভিত্তি" শীৰ্ষক এক আলোচনা অনুষ্ঠিত কৰাৰ পৰিকল্পনা



অসম এছোচিয়েছন দিল্লীয়ে সোনকালেই "অসমীয়া ভাষাৰ ইন্টাৰনেট প্ৰস্তুতিঃ কাৰিকৰী ভিত্তি" শীৰ্ষক এক আলোচনা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। এই অনুষ্ঠানত বিষয়টোৰ সন্দৰ্ভত বিশেষ বক্তৃতা আগবঢ়াবৰ বাবে অভিজ্ঞতাসম্পন্ন শ্ৰী সত্যজিৎ নাথক নিমন্ত্ৰণ জনোৱা হৈছে। তেওঁ বৰ্তমান আমেৰিকাৰ ৱাশ্বিংটনত জ্যেষ্ঠ চফ্‌টৱেৰ ইঞ্জিনীয়াৰ হিচাপে কৰ্মৰত। বিগত কিছু বছৰ ধৰি তেওঁ অসমীয়া ভাষাৰ ইণ্টাৰনেট প্ৰস্তুতি উন্নত কৰাৰ বিষয়ে কিছুমান তৃণমূল পৰ্যায়ৰ কামৰ অংশ হিচাপে বিভিন্ন মানদণ্ডৰ কাকতৰ অধ্যয়ন কৰি সেই অধ্যয়নৰ ভিত্তিত কেইটামান প্ৰবন্ধ লিখিছে।

বক্তৃতাৰ বিষয়বস্তুৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ : এই বক্তৃতাত অসমীয়া আৰু আন ভাষাৰ অৱলম্বনৰ বাবে কম্পিউটাৰ আৰু ইণ্টাৰনেটত ব্যৱহৃত মৌলিক প্ৰণালীসমূহৰ ব্যাখ্যা কৰাৰ চেষ্টা কৰা হ'ব। য'ত উপযুক্ত, প্ৰণালীবোৰ বৰ্ণনা কৰিবলৈ নিৰ্দিষ্ট উদাহৰণ ব্যৱহাৰ কৰা হ'ব।

এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুকসকলে তেওঁলোকৰ আগ্ৰহ ইমেইলৰ জৰিয়তে (assamassociationdelhi2015@gmail.com বা WhatsApp at 9968666599) প্ৰকাশ কৰিবলৈ অনুৰোধ জনোৱা হল। এই অনুষ্ঠানৰ Google Meet link সোনকালেই শ্বেয়াৰ কৰা হ'ব।

# বিয়লি চ'ৰাৰ 'উদ্দীপনা'
# বিশ্ব বয়োজ্যেষ্ঠ ব্যক্তি দিৱস উদ্‌যাপন

ৰাজধানী নিবাসী অসমীয়া বয়োজ্যেষ্ঠসকলৰ সংগঠন "বিয়লি চ'ৰা"-ৰ উদ্যোগত প্রতি বছৰৰ দৰেই এইবাৰো বিগত ১ অক্তোবৰৰ দিনা 'বিশ্ব বয়োজ্যেষ্ঠ ব্যক্তি দিৱস' উদ্‌যাপন কৰা হয়। এই উপলক্ষে সেইদিনা সন্ধিয়া শ্রীমন্ত শংকৰদেৱ ভৱনৰ প্রেক্ষাগৃহত 'উদ্দীপনা' শীর্ষক এটি বর্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হয়। মহামাৰীৰ আশংকাই সুদীর্ঘ দিন ধৰি প্রায় গৃহবন্দী কৰি ৰখা বয়োজেষ্ঠসকল অৱশেষত আহি শংকৰদেৱ ভৱনত সমৱেত হৈ চাহ মিঠাইৰ সোৱাদ লৈ ইজনে সিজনক আনন্দত মাত লগোৱাৰ দৃশ্যই এটা মধুৰ পৰিৱেশৰ সৃষ্টি কৰিছিল।





জলযোগৰ অন্তত সভাকক্ষত "বিয়লি চ'ৰা"-ৰ সভাপতি শ্রী নৃপেন্দ্রনাথ গগৈয়ে সকলোকে আদৰণি জনায় আৰু দেহ-মনৰ জঠৰতা পৰিহাৰ কৰি উদ্দীপিত হৈ পুনৰ স্বাভাৱিক জীৱন যাত্রা আৰম্ভ কৰিবলৈ আহ্বান কৰে। তেখেতে চলিত আৰু বিগত বছৰটোত "বিয়লি চ'ৰা"-ৰ বিয়োগ ঘটা সতীর্থ শ্রী ত্রৈলোক্য প্রসাদ খাওন্দ, শ্রী দুলেশ্বৰ চক্রৱর্তী, ডঃ গৌৰীকান্ত সন্দিকৈ আৰু শ্রীমতী উৎপলা বৰাকে ধৰি অন্য যিসকলৰ বিয়োগ ঘটিল তেওঁলোক সকলোকে স্মৰণ কৰে। প্রয়াতসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি সকলোৱে ১ মিনিট সময় থিয় হৈ মৌন প্রার্থনা কৰে। চ'ৰাৰ সাধাৰণ সম্পাদক শ্রী হিৰণ দত্তই এটা শ্রদ্ধাঞ্জলি প্রস্তাৱ পাঠ কৰে।





ইয়াৰ পিচত শ্রী যোগেশ্বৰ হাজৰিকাৰ এটি গুৰু বন্দনাৰে 'উদ্দীপনা' অনুষ্ঠান আৰম্ভ হয়। ইয়াৰ পিচত কর্ণেল শ্রী জিতেন হাজৰিকাই এফাকি প্রাসংগিক সংস্কৃত শ্লোক আৰু তাৰ ব্যাখ্যা আগবঢ়ায়। শ্রীহিৰণ দত্ত সম্পাদিত "বিয়লি চ'ৰা"-ৰ বছৰেকীয়া আলোচনী 'বিয়লি'-ৰ অষ্টম বার্ষিক সংখ্যাটো উন্মোচন কৰে













সভাপতি শ্ৰী নৃপেন্দ্ৰে নাথ গগৈয়ে।

সত্ৰীয়া বিদ্যালয়ৰ অধ্যাপক শ্ৰী ভৱানন্দ বৰবায়নৰ তত্ত্বাৱধানত তেওঁৰে দুগৰাকী শিষ্যা দেষপ্তা মহন্ত আৰু গৰীমা বৰুৱাই পৰিৱেশন কৰা এটি সুমধুৰ বৰগীতে আৰু তাৰ পিচতে অধ্যাপক শ্ৰী বৰবায়নৰ এটি চমু আধ্যাত্মিক আলোচনাই বয়োজ্যেষ্ঠসকলক মনৰ খোৰাক যোগায়।ইয়াৰ পিচতে সেইদিনাৰ অনুষ্ঠানৰ অন্য তম আকৰ্ষণ আছিল "বিয়লি চ'ৰা"-ৰ অশীতিপৰ তথা আশী বছৰৰ দুৱাৰ-ডলিত উপস্থিত হোৱা সদস্য-সদস্যাসকলৰ সম্বৰ্ধনা। মুঠতে ১৩ গৰাকী তেনে বয়োজ্যেষ্ঠক এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। তেখেতসকল আছিল শ্ৰীমতী মায়াৰাণী মজিন্দাৰ বৰুৱা, শ্ৰীমতী ছায়া হাজৰিকা, শ্ৰীঅচ্যুৎ কুমাৰ শইকীয়া, শ্ৰী ঈশ্বৰ প্ৰসন্ন হাজৰিকা, শ্ৰী জিতেন হাজৰিকা, শ্ৰী শিৱৰাম দেউৰী, শ্ৰী চিদানন্দ দাস, শ্ৰী বিকাশ চন্দ্ৰ বৰা, শ্ৰী কামদেৱ মহন্ত, শ্ৰী গৌৰাংগধৰ ৰাজখোৱা, শ্ৰী নৃপেন্দ্ৰ নাথ গগৈ, শ্ৰী মদন প্ৰসাদ বেজবৰুৱা আৰু শ্ৰী যোগেশ্বৰ হাজৰিকা।

এইবাৰৰ "বিয়লি চ'ৰা"-ৰ অনুষ্ঠানৰ আন এটা বিশেষত্ব আছিল চ'ৰাৰ তিনিগৰাকী সদস্যই লিখা তিনিখন গ্ৰন্থৰ উন্মোচন। ডাঃ নীলমণি শৰ্মাৰ 'স্মৃতিৰ পাপৰি বুটলি', শ্ৰী হিৰণ্য কুমাৰ দাসৰ 'ব্যক্তি আৰু বিষয়' আৰু শ্ৰী হিৰণ দত্তৰ 'সন্ধ্যাৰাগ' -- এই কিতাপ কেইখন উন্মোচন কৰে যথাক্ৰমে শ্ৰী বিকাশ চন্দ্ৰ বৰা, শ্ৰী জিতেন হাজৰিকা আৰু শ্ৰী মদন প্ৰসাদ বেজবৰুৱাই। উপস্থিত বয়োজ্যেষ্ঠসকলৰ মাজৰ পৰা শ্ৰীমতী অৰুণিমা শৰ্মা মহাপাত্ৰ, শ্ৰী মতী মায়াৰাণী মজিন্দাৰ বৰুৱা আৰু শ্ৰী গৌৰাংগধৰ ৰাজখোৱাই এটিকৈ গীত পৰিৱেশন কৰি আৰু ডঃ বাণি বৰাই এটি স্বৰচিত কবিতা আবৃত্তি কৰি সোণত সুৱগা চৰায়। সেইদিনা সভাত উপস্থিত থকা প্ৰাক্তন সাংসদ ডাঃ অৰুণ শৰ্মায়ো দুআষাৰ কয়।

শলাগৰ শৰাই আগবঢ়ায় উপসভাপতি শ্ৰী শিৱৰাম দেউৰীয়ে। 'উদ্দীপনা' অনুষ্ঠানটিৰ




আঁত ধৰে জয়ন্তীমালা বৰপূজাৰীয়ে। জাতীয় সংগীত “অ’ মোৰ আপোনাৰ দেশে”ৰে অনুষ্ঠানৰ সামৰণি মৰা হয়। নৈশ ভোজৰো ব্যৱস্থা আছিল। শ্ৰীমতী ৰীণা সন্দিকৈয়ে যোৱা বছৰ বিয়োগ ঘটা তেখেতৰ স্বামী ডঃ গৌৰীকান্ত সন্দিকৈৰ স্মৃতিত সেইদিনাৰ নৈশ ভোজৰ আয়োজন কৰিছিল।

*(বাতৰি বিয়লি চ’ৰাৰ সৌজন্যত)*

# একেটা মঞ্চতে তিনিজন লেখকৰ গ্ৰন্থ উন্মোচন




দেশৰ ৰাজধানীৰ অসমীয়া সমাজখনত এটা আগে-পিছে নোহোৱা দৃশ্য অলপতে দেখিবলৈ পোৱা গ’ল। দিল্লীনিবাসী তিনিজন অসমীয়া লেখকৰ তিনিখন গ্ৰন্থ একেলগে উন্মোচন কৰা হ’ল যোৱা ১ অক্টোবৰৰ দিনা বিয়লি চ’ৰাই বয়োজ্যেষ্ঠ ব্যক্তি দিৱস উপলক্ষ্যে আয়োজন কৰা ‘উদ্দীপনা’ অনুষ্ঠানত। বিয়লি চ’ৰাৰ সদস্য এই লেখক তিনিগৰাকী হ’ল ডা. নীলমণি শৰ্মা, শ্ৰী হিৰণ্য কুমাৰ দাস আৰু শ্ৰী হিৰণ দত্ত। ইতিমধ্যে প্ৰকাশিত তিনিখনকৈ গ্ৰন্থৰ প্ৰণেতা শ্ৰী হিৰণ্য কুমাৰ দাসৰ বাহিৰে বাকী দুজনৰ এয়েই আছিল গ্ৰন্থ প্ৰকাশৰ প্ৰথম প্ৰয়াস। শ্ৰী হিৰণ্য কুমাৰ দাসৰ “ব্যক্তি আৰু বিষয়” নামৰ শেহতীয়া গ্ৰন্থখন হ’ল বহুকেইগৰাকী যশস্বী অসমীয়া ব্যক্তিৰ সান্নিধ্য লাভৰ আধাৰত লিখা আৰু কিছুমান বিষয়ভিত্তিক পূৰ্বপ্ৰকাশিত লেখাৰ সংকলন। কিতাপখনত লেখকৰ পত্নী ড. বাণী বৰাৰ কেইটামান কবিতাও সন্নিৱিষ্ট কৰা হৈছে। শ্ৰী হিৰণ্য কুমাৰ দাসৰ এই “ব্যক্তি আৰু বিষয়” কিতাপখন উন্মোচন কৰে খ্যাতনামা চিত্ৰকৰ কৰ্ণেল জিতেন হাজৰিকাদেৱে। দুশ টকা মূল্যৰ এই কিতাপখনৰ প্ৰকাশক হ’ল ‘মনো পাব্লিকেছনচ্।’ ডা. নীলমণি শৰ্মাৰ “স্মৃতিৰ পাপৰি বুটলি” নামৰ গ্ৰন্থখন হ’ল ঘাইকৈ লেখকৰ ব্যক্তিগত জীৱনত হোৱা তিতা-মিঠা অভিজ্ঞতা আধাৰিত ভালেকেইটা ইতিপূৰ্বে প্ৰকাশিত সৰুসৰু লঘু কাহিনীৰ সংকলন। ইয়াৰ উপৰি দিল্লীৰ অসমীয়া সমাজখনৰ সৈতে জড়িত থাকি আহৰণ










কৰা অভিজ্ঞতা আৰু তথ্যভিত্তিক লেখাকেইবাটাও আছে। "জীৱনৰ আগছোৱা", "কৰ্মজীৱনৰ আৰম্ভণি আৰু অৰুণাচল প্ৰদেশ", "দিল্লীত পদাৰ্পণ", "ইতিহাসৰ সন্ধিক্ষণত", "সাগৰৰ সিপাৰলৈ" আৰু "দিল্লীৰ অসমীয়া সমাজৰ সৈতে" --এইকেইটা অধ্যায়ত বিভক্ত ডা. নীলমণি শৰ্মাদেৱৰ এই কিতাপখন সেইদিনা উন্মোচন কৰে শ্ৰী বিকাশ চন্দ্ৰ বৰা দেৱে। ১৫০ টকা- মূল্যৰ এই কিতাপখনৰ প্ৰকাশক হ'ল "মল্লিকা প্ৰকাশন"। সেইদিনা উন্মোচন কৰা হোৱা তৃতীয়খন কিতাপ আছিল শ্ৰী হিৰণ দত্তৰ কবিতা পুথি "সন্ধ্যাৰাগ"। "সন্ধ্যাৰাগ"-ত লেখকৰ ন-পুৰণি কিছুমান স্বৰচিত কবিতাৰ উপৰি কেইটামান অনুদিত কবিতাকো স্থান দিয়া হৈছে। কৰোনাকালত লিখা এমুঠি কবিতাকে ধৰি মুঠতে ২৭টি কবিতাৰ সংকলন "সন্ধ্যাৰাগ" উন্মোচন কৰে শ্ৰী মদনপ্ৰসাদ বেজবৰুৱাদেৱে। এশ টকা মূল্যৰ এই কবিতা পুথিখনৰ প্ৰকাশক হ'ল 'স্বৰ্ণগিৰি প্ৰকাশন'। কিতাপ কেইখনৰ বাবে যোগাযোগ কৰাৰ ফোন নম্বৰ ঃ ডা. নীলমণি শৰ্মা - ৯৮১০৫ ৯৪৩৫৮, হিৰণ্য কুমাৰ দাস- ৯৭১১৭০১৬৭৯, অংশুমান বৰুৱা-৯৮৭৩৭৬৩৮১১

**MATRIMONIAL:**

**Suitable alliance invited for a beautiful cultured daughter of Nagaon, Assam based Bhuyan family. Born in 1990, Qualification –M. Sc. Nursing. Presently working as Captain in Indian Army and posted at Military Hospital, Bikaner. Please contact with confidence.**

**Contact no.- 9953073242 (Delhi).**
**Mail Id - djssaikia@yahoo.com**


# অসম এছোচিয়েছন দিল্লীৰ দ্বাৰা

## জয়ন্ত হাজৰিকাৰ ৭৮ সংখ্যক জন্ম জয়ন্তী পালন

নতুন দিল্লী, ২ অক্টোবৰঃ যোৱা ২৬ ছেপ্টেম্বৰ ২০২১ তাৰিখে অসম এছোচিয়েছন দিল্লীয়ে জয়ন্ত হাজৰিকাৰ ৭৮ সংখ্যক জন্ম জয়ন্তী পালন কৰে অনলাইন মাধ্যমেৰে। সন্ধিয়া ৮ বজাৰপৰা নিশা ১০ বজালৈকে চলা এই অনুষ্ঠানত













সমগ্ৰ দেশ তথা বিদেশৰ প্ৰায় ৯০ জন লোকে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানলৈ বিশেষভাৱে নিমন্ত্ৰণ কৰা সকলৰ ভিতৰত মণিষা হাজৰিকা, ময়ূখ হাজৰিকা, অনিমা চৌধুৰী, প্ৰশান্ত ৰাজখোৱা, ৰবিন কলিতা, সুশুভন তালুকদাৰ, নজৰুল ইছলাম, ড. মৃণাল দাস, ধৃতি দীপা, ড. শ্যমলীমা গগৈ, পল্কী, মূৰ্চ্ছনা, ৰতন দাস, ঝীম পাঠক, প্ৰণামী শইকীয়া, উপাসনা বৰঠাকুৰ, শুভম মল্লিক, অভিলাসা শৰ্মা, জোৎস্না দাস শইকীয়া, বিশালক্ষী কাশ্যপ, ৰীম পাঠক, দীবচান বৰুৱা অন্যতম। এইসকলে নিজৰ সাধ্য অনুসাৰে প্ৰয়াত মহান শিল্পীজনৰ গীত-মাত পৰিৱেশন কৰাৰ লগতে তেওঁৰ গীত বাদ্যযন্ত্ৰৰে তথা নৃত্যৰে পৰিৱেশন কৰে।

অনুষ্ঠানৰ আৰম্ভণিতে ময়ূখ হাজৰিকাই এছোচিয়েছনে জনোৱা অনুৰোধ মৰ্মে পিতৃ জয়ন্ত হাজৰিকাৰ বিষয়ে কিছু কথা জনায়। জয়ন্ত হাজৰিকাৰ পত্নী মণিষা হাজৰিকাই এছোচিয়েছনে আয়োজন কৰা অনুষ্ঠানৰ প্ৰতি অভিনন্দন জনাই বাৰ্তা প্ৰেৰণ কৰে। অনুষ্ঠানত প্ৰয়াত শিল্পীজনৰ সলাগ লৈ বিভিন্নজনে বিভিন্ন মন্তব্য আগবঢ়ায়।



অনুষ্ঠানৰ শেষত সলাগৰ শৰাই আগবঢ়াই প্ৰফেচাৰ বিনোদ খাদ্ৰিয়াই। অনুষ্ঠানৰ আয়োজনত আছিল ৰীম পাঠক আৰু আঁত ধৰিছিল দিব্যজিৎ দত্তই।

সমগ্ৰ অনুষ্ঠানটো ৰেকৰ্ড কৰা হয় আৰু ইউটিউব লিংকত উপলব্ধ কৰা হৈছে https://youtu.be/vgtCl6rdvwU

# Voluntary Blood Donation Program held

A Voluntary Blood Donation program was held on 10th October 2021 from 10:30 AM onwards at Srimanta Sankaradeva Bhawan, New Delhi organized by Assam Association Delhi in association with Red Cross Society, New Delhi.












Organizing a blood donation camp has been under consideration after getting continuous and frantic requests from various patients undergoing medical treatment in various hospitals in Delhi NCR Region majority of which are from Assam seeking blood donors desperately; a few of which are of rare blood group. Onerous difficulties have been felt to arrange blood at



last hour. So in order to mitigate these difficulties, Association contacted with esteem organization Red cross Society, New Delhi was held and decided to organise a blood donation camp at the earliest. Though elaborate arrangement and efforts were made from both Assam Association Delhi as well as Red cross Society to make the event a grand success, but sadly only a few persons attended to donate blood.

## Health Awareness Seminar held


A Health Awareness Seminar was held at Srimanta sankaradev Bhawan on 10th October 2021 from 11:30 AM by eminent panelist on various topics viz.



**Know About Breast Cancer by Dr Kunja Hari Medhi** Director Oncology & Senior Consultant Medical Oncology, Batra Cancer Centre, Batra Hospital & Medical Research Centre New Delhi-110062 Phone:+91-11-29958747 (Ext-2009)Mobile 91 98188 84856 www.drkmedhioncology.in, medhiaiims@gmail.com



**Women And Heart Disease By Dr Ritwick Raj Bhuyan** Director Cardiovascular Surgery And Minimal Access Heart Surgery Fortis Escorts Heart Institute Okhla, New Delhi -
Mobile 96506 21777 Email:drritwick72@gmail.com



**Facial Rejuvenation and Skin & Hair care by Dr Nandini Baruah**, Dermatology and Cosmetic Dermatology PARAS hospital, Gurugram & LAYA's Clinic, South Extension & Sarita Vihar, New Delhi



**Women Mental Health by Dr Mayuri Buragohain** (Psychiatrist) Medical Officer, DHS – drmayurigohain@gmail.com

At the outset, Smti Deepanjali Dutta introduced the panelists and










Dr. Tankeswar Baruah moderated the event. During the interactive session, several important questions were raised by participants which were elaborately replied by panelists. The vote of thanks was offered by Dibyojit Dutta. During the session, it was decided to arrange similar events on regular intervals. High tea and lunch were arranged which were contributed by a few esteem members viz. Dr. Banajit Mazumdar, Mr & Mrs Anjali Saikia, Mrs Deepanjali Dutta . The event was attended by around 60 participants.

The photo gallery is available at http://aad.assam.org/content/voluntary-blood-donation-program-photo-gallery and the video at https://youtu.be/zwofFIUAoNw

*Prepared by Dibyojit Dutta*

# সমন্বয়ৰ দুৰ্গা পূজা




উত্তৰ পশ্চিম দিল্লীৰ অসমীয়া সামাজিক-সাংস্কৃতিক অনুষ্ঠান সমন্বয় গোষ্ঠীয়ে বিগত বৰ্ষৰ দৰে এইবাৰো পৰম্পৰাগত উৎসাহ উদ্দীপনাৰ মাজত দুৰ্গা পূজাভাগি অনুষ্ঠিত কৰে। ‘সমন্বয়’ দিল্লীস্থ এটি অগ্ৰণী অনুষ্ঠান যি অসমৰ প্ৰায়বোৰ প্ৰধান উৎসৱ পালন কৰাৰ উপৰিও নানা সামাজিক সজাগতামূলক কাৰ্য্যসূচী অনুষ্ঠিত কৰি আহিছে। এই অনুষ্ঠানটিৰ গুৰি ধৰোতাসকল হৈছে প্ৰফেচৰ নিৰঞ্জন ভট্টাচাৰ্য (সভাপতি), ডা. চন্দন কুমাৰ ডেকা (সম্পাদক), ডা. সুব্ৰত ভূষণ শৰ্মা ( উপ-সভপতি) আৰু ডা. অভিজিত খাউণ্ড (কোষাধ্যক্ষ)। ক'ভিড পৰিস্থিতিৰ সকলো সাৱধানতা অৱলম্বন কৰি পাঁচ দিনীয়াকৈ পালন কৰা পূজাভাগিত ষষ্ঠীৰ সন্ধিয়াৰপৰা সপ্তমী, অষ্টমী, নৱমী আৰু দশমীৰ বিসৰ্জনলৈকে সম্পূৰ্ণ বৈদিক প্ৰথাৰে মা দুৰ্গাৰ পূজা অৰ্চনা কৰা হয়। তিনিওটি সন্ধিয়াতে অতি উলহ-মালহেৰে আৰতি আৰু আটক ধুনীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিশেষকৈ সপ্তমী, অষ্টমী আৰু নৱমীৰ নিশা দিল্লীবাসী অসমীয়া শিল্পীসকলে প্ৰদৰ্শন কৰা সাংস্কৃতিক অনুষ্ঠান অতি আকৰ্ষণীয় আছিল। পূজাভাগিত পুৰোহিতৰ দায়িত্ব পালন

কৰে অসমৰপৰা আমন্ত্ৰণ কৰি অনা জয়ন্ত শৰ্মা আৰু ভৱ শৰ্মাই। সাংস্কৃতিক সন্ধিয়া কেইটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় সেনাৰ Lt.Gen. ৰাণা প্ৰতাপ কলিতা, OIL ৰ ডাইৰেক্টৰ শ্ৰীযুত পংকজ কুমাৰ গোস্বামী আৰু ন্যয়ধীশ মুকুন্দ কাম শৰ্মা। সপ্তমীৰ সন্ধিয়া সমন্বয়ৰ শিল্পী ৰীম পাঠক, মণিদীপা গোস্বামী, মনোজ বৰুৱা, মৰমী দত্ত, বন্দিতা ৰয় আৰু নিলাক্ষী শইকীয়াই গীতৰ শৰাই আগবঢ়ায়। অষ্টমীৰ দিনজোৰা মহা অষ্টমী পূজা অৰ্চনাৰ পিছত মনিদীপা গোস্বামী, ৰীম পাঠক, প্ৰীতি ফুকন, গীতিমালা ডেকা, সুদেষ্ণা বৰুৱা, নিৱেদিতা শৰ্মা, লিজা, ৰিঞ্জাৰিচা, মৌচুমী দত্ত বৰা আদি মহিলাসকলে দুৰ্গা নাম পৰিৱেশন কৰিছিল ।

সন্ধিয়াৰ সাংস্কৃতিক কাৰ্য্যসূচী আৰম্ভ হয় কণমানি নৃত্য পতিয়সী অনুষ্কা প্ৰীয়ম দাসৰ আটকধুনীয়া পুষ্পাঞ্জলি নৃত্যৰে। ইয়াৰ পিছতে সুকণ্ঠী গায়িকা অনীশা ভৰদ্বাজ, মৰ্টিনা পৰাশৰ আৰু পাৰ্থবী গগৈয়ে গীতত শৰাই আগবঢ়ায়। বিশিষ্ট কণ্ঠশিল্পী ৰুলী বৰুৱাৰ গীত, নিলয় দাসৰ গীত, শিশুশিল্পী ধৃতীমা ডেকাৰ নৃত্য আৰু বেদাংগণা বৰ্ছিচ, অনুষ্কা প্ৰীয়ম দাস, হৰ্শিতা শইকীয়া, আত্ৰয়ী লাহন আৰু দেবাস্মিতা দাসে প্ৰদৰ্শন কৰা সামূহিক নৃত্য সন্ধিয়াৰ অন্যতম আকৰ্ষণ আছিল। ৰাতিলৈ ধৰ্মীয় পৰম্পৰাৰে সন্ধি পূজা ভাগিও অনুষ্ঠিত কৰা হয়।

নৱমী পূজাৰ সাংকৃতিক সন্ধিয়া আৰম্ভ হয় শিশুশিল্পী অংশিকা শিভমৰ দুৰ্গা স্তুতি নৃত্যৰে। ইয়াৰ পিছতে নিবৃত্তি বৰুৱা, টামান্না ডেকা, ভিশালক্ষী কাশ্যপে আটকধুনীয়া নৃত্য প্ৰদৰ্শন কৰে। উদীয়মান শিল্পী নীলিময় পৰীক্ষিত চৰকাৰৰ beat boxing অনুষ্ঠান অন্যতম আকৰ্ষণ আছিল। তদুপৰি বিশিষ্ট শিল্পী নিলয় দাস, সুশোভন তালোকদাৰ, সুকন্যা বৰুৱা, নৱ মল্লিকা ভাগৱতী, ৰীম পাঠক, মণিদীপা গোস্বামী, নিবেদিতা ভট্টাচাৰ্য, ইন্দ্ৰানী চক্ৰৱৰ্তী, বিনোদ ভৰদ্বাজ, নিকু দত্ত আৰু মূৰ্ছনাই গীতৰ শৰাই আগবঢ়ায়। তিনিও নিশাৰ অনুষ্ঠানৰ সাংস্কৃতিক সন্ধিয়াৰ আঁত ধৰে অনীশা ভৰদ্বাজ, মৰমী দত্ত আৰু মনোজ বৰুৱাই।

সপ্তমী, অষ্টমী, নৱমী গোটেইকেইদিন অতি সুন্দৰকৈ সকলো ভক্তৰ বাবে মাহপ্ৰসাদ, পায়স, চিংৰা চাহ, মিঠাই আৰু দুপৰীয়াৰ ভোগ, ৰাতিৰ ভোগৰ ব্যৱস্থা কৰা হৈছিল ।

*বাতৰিঃ মৰমী দত্ত আৰু ৰীম পাঠক*

# গুড়গাঁৱত অসমীয়াৰ দুৰ্গাপূজা



অসমৰ পৰা আঁতৰত থাকি অসমৰ দৰেই এভাগ দুৰ্গাপূজা! বিগত তিনি বছৰ ধৰি গুৰুগ্ৰামৰ অসমীয়া ৱেলফেয়াৰ চ'চাইটিয়ে গুৰুগ্ৰামত শাৰদীয় দুৰ্গা পূজা আৰু শ্ৰী শ্ৰী লক্ষ্মী পূজা আয়োজন কৰি আহিছে!

এইবাৰো যোৱা ১১অক্টোবৰ ২০২১ তাৰিখৰ পৰা ১৫ অক্টোবৰ ২০২১লৈ আৰু যোৱা ২০ অক্টোবৰ তাৰিখে শাৰদীয় দুৰ্গাপূজা আৰু শ্ৰীশ্ৰী লক্ষ্মী পূজা ক'ভিড-১৯ ৰ সকলো বিধি পালন কৰি সফলভাৱে অনুষ্ঠিত কৰা হয়। ২০১৯ চনত শ্ৰীযুত পল্লৱ ফুকনক সভাপতি হিচাবে লৈ গঠন হোৱা অসমীয়া ৱেলফেয়াৰ চ'চাইটিয়ে পৰিকল্পিত, শৃংখলাবদ্ধ তথা নিখুতভাৱে অনুষ্ঠিত কৰা দুৰ্গাপূজা ভাগলৈ আগমন ঘটা গুৰুগ্ৰাম তথা এন.চি.আৰ.ৰ প্ৰতিজন ভক্তৰ মনলৈ আনন্দ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

*বাতৰিঃ উলুপী দত্ত কলিতা*

## Condolence Meet on Majuli Boat accident

A condolence meeting was held in the premise of Srimanta Sankardeva Bhawan on 11th September at 5:30 PM on the recent tragic Boat accident in Brahmaputra near Majuli Island where several innocent persons lost their life. Deepest condolences were conveyed to the families of the departed souls and one minute silence prayer was observed in their memory. This meeting was attended by President, General Secretary, Coordination Secretary along with several other members.

